# ৰজনীকান্ত বৰদলৈ— জীৱন আৰু ব্যক্তিত্ব

ৰজনীকান্ত বৰদলৈক 'উপন্যাস সম্ৰাট' বুলি অভিহিত কৰিছে বিশিষ্ট সাহিত্যিক ত্ৰৈলোক্য নাথ গোস্বামীদেৱে। এই উক্তিৰ যথাৰ্থতা বৰদলৈৰ সৃষ্ট উপন্যাসৰাজিৰ গভীৰ অনুধ্যানৰ যোগেদি অতি সহজেই উপলব্ধি কৰিব পৰা যায়। অসমৰ পুৰণি সমাজ-ব্যৱস্থা, ধৰ্ম-সংস্কৃতি, ভাষা-সাহিত্য আৰু ঐতিহ্য-পৰম্পৰাৰ প্ৰতি বৰদলৈৰ যি গভীৰ অনুৰাগ আৰু শ্ৰদ্ধা আছিল তাৰেই প্ৰকৃষ্ট নিদৰ্শন তেওঁৰ উপন্যাসৰাজি। তেওঁৰ এই অনুপম ৰচনাৰাজিয়ে তেওঁক অসমীয়া ঔপন্যাসিকসকলৰ মাজত সৰ্বোচ্চ আসনত অধিষ্ঠিত কৰাইছে। ঐতিহাসিক ঔপন্যাসিক হিচাপে তেওঁক অতিক্ৰম কৰিব পৰা লিখক বিৰল বুলি ক'ব পাৰি।

বৰদলৈৰ জীৱন কাহিনী যথেষ্ট সংঘাতপূৰ্ণ। শিশু বয়সতেই পিতৃহীন হোৱাৰ ফলত উদ্ভূত সমস্যাৰাজিৰ সন্মুখীন হ'ব লগা এই গৰাকী অসীম মনোবলসম্পন্ন ব্যক্তিয়ে। কেৱল নিজৰ চেষ্টাতেই তেওঁ এজন অসাধাৰণ ব্যক্তিত পৰিণত হৈছিল। উচ্চশিক্ষা লভিবলৈ কলিকতালৈ যোৱাৰ পিছৰ পৰাই তেওঁ আপোন জন্মভূমি আৰু মাতৃভাষাৰ উন্নতিকল্পে নিজকে সমৰ্পণ কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছিল আৰু সেই সঙ্কল্পক বাস্তৱায়িত কৰাটোৱেই আছিল তেওঁৰ একান্ত সাধনা।

ৰজনীকান্তই ১৮৬৭ চনৰ ২৪ নৱেম্বৰত গুৱাহাটীৰ তদানীন্তন কুৰুৱমুতা গাঁৱত জন্ম লাভ কৰে আৰু ন-বছৰ বয়সতেই পিতৃহাৰা হয়। কিন্তু কালক্ৰমে নিজৰ যত্ন, মোমায়েক আৰু বিধবা মাকৰ আন্তৰিক মৰম-স্নেহৰ মাজত ডাঙৰ-দীঘল হৈ শেষত ১৮৮৫ চনত গুৱাহাটী চেমিনেৰীৰ